# পশু সখী নিৰ্বাচনৰ নিৰ্দেশনা

## ১. পাতনি ঃ

**'পশু সখী'** হ'ল পশুধনক সামূহিকভাৱে সেৱা আগবঢ়োৱা এক সেৱক। এখেতসকল হ'ল গাঁৱৰ ভিতৰুৱা অঞ্চলত সেৱা প্ৰদান কৰোতা কাৰণ সেই স্থানত সময়মতে পশুধনে এনে ধৰণৰ নিদানিক সেৱা লাভ কৰাৰ আন কোনো ব্যৱস্থা নাই। কেনেবাকে থাকিলেও দুৰ্মূল্য হোৱাৰ বাবে সেয়া গ্ৰামীণ দৰিদ্ৰৰ বাবে সম্ভৱপৰ নহয়। পশু সখী আৰম্ভ কৰাৰ ধাৰণাটো হ'ল পশুধন পালনৰ ওপৰত জীৱিকা নিৰ্বাহ কৰা কৃষকসকলক সজাগ কৰা আৰু পশুধনক সুষ্ঠ-সবল কৰি ৰাখি পশুধনজাতীয় উৎপাদনসমূহ বিক্ৰিৰ এখন বজাৰ পাবলৈ লগা সক্ষমতা প্ৰদান কৰা। (প্ৰসঙ্গঃ ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ পৰামৰ্শদাতাৰ জীৱিকা নিৰ্বাহ কৌশলৰ ওপৰত মহিলা কিষান সশক্তিকৰণ পৰিয়োজনাৰ ওপৰত লিখা টোকা)। পশু সখীসকল অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কোনো কৰ্মচাৰী নহয়; সেইসকল গাঁও সংগঠন নতুবা মণ্ডল পৰ্য্যায়ৰ সংগঠনৰ দ্বাৰা নিৰ্বাচিত পশুধনক সামূহিক সেৱা আগবঢ়াওঁতাহে।

আত্ম-সহায়ক গোট বা গৃহস্থী পৰ্য্যায়ত পশুধন ভিত্তিক জীৱিকা নিৰ্বাহ সক্ষম কৰি তোলাত পশু সখীৰ আৰ্হিটো লাগতিয়াল আৰু সক্ষম বুলি বিৱেচিত হৈছে। উমৈহতীয়াভাবে চিনাক্তকৃত পশু সখীয়ে পশুপালকসকলক আৱশ্যকীয় কাৰিকৰী-চিকিৎসা সম্বন্ধীয় সহয়তা আগবঢ়াব। পশু সখীসকলে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত আৰু পশুধন বিশেষজ্ঞৰ তত্বাবধানতউন্নত ধৰণৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিব। এওঁলোক হ'ব পশুপালন- পশু চিকিৎসা বিভাগ আৰু গ্ৰামীণ দৰিদ্ৰসকলৰ মাজৰ মধ্যস্থতাকাৰী আৰু এখেতসকলেই আৱশ্যকৰ সময়ত দৰিদ্ৰসকলক ওচৰৰ পশু চিকিৎসা সহায়ক কেন্দ্ৰৰ সতে সংযোগ সাধন কৰাই দিয়ে।

## ২. উদ্দেশ্যে ঃ

এই আৰ্হিটোৰ উদ্দেশ্য হ'ল দৰিদ্ৰসকলৰ মাজত পশুপালন আৰু পশুধনজাত জীৱিকা নিৰ্বাহ উৎপাদনশীলভাবে বৰ্ত্তাই ৰখা। অতিশয় দুখীয়া যিসকলৰ মাটি বা ঘৰ সীমিত নতুবা গৃহহীন বা উৎপাদন কৰিব পৰা সক্ষমতাৰ বাহিৰত সেইসকলৰ ওপৰত বিশেষভাবে দৃষ্টি ৰখা হৈছে। পশুপালন বা পশুধনৰ সতে সামূহিকভাবে জড়িত কৰ্মীসকলৰ মাজত এই ব্যৱস্থাই এক উমৈহতীয়া সংযোগ সাধন কৰি এক সমূহীয়াভাবে জবাবদিহি প্ৰতিষ্ঠান গঢ়ি তুলিব। ইয়াৰ আন এটা উদ্দেশ্য হ'ল গ্ৰামীণ দুখীয়াসকলৰ মাজত নিজাববীয়াকৈ থকা পশুপালন বিষয়ক কাৰ্য্যসমূহত নতুন উদ্যম প্ৰদান কৰা।

## ৩. পশু সখী হ'বলৈ লগা আৱশ্যকীয় যোগ্যতা ঃ

৩.১ সেই গৰাকী স্থানীয় আৰু একে গাঁও পঞ্চায়তৰ বাসিন্দা হ'ব লাগিব। (আত্ম-সহায়ক গোটৰ মহিলা সদস্য)

৩.২ বয়স ২০ ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব।

৩.৩ সেই গৰাকী সেই গাঁও পঞ্চায়তৰ অতি কমেও সৰু পশুধন বা হাঁহ-কুকুৰাৰ গৰাকী হ'ব লাগিব। সেই গৰাকীৰ ঘৰত এজনী বা দুজনী গৰু, দুটা বা তিনিটা ছাগলী বা ভেড়া নতুবা দুই-তিনিটা গাহৰি নতুবা দহজনীমান হাঁহ-কুকুৰা থকা হ'ব লাগিব। পশু পালনৰ ওপৰত প্ৰাথমিক জ্ঞান থাকিব লাগিব।

৩.৪ সেই গৰাকীয়ে স্থানীয় ভাষা লিখিব আৰু পঢ়িব পৰা, অতিকমেও অষ্টম শ্ৰেণী পাছ কৰা হ'ব লাগিব। উচ্চ শিক্ষিতও হ'ব পাৰিব। ইংৰাজী লিখিব-পঢ়িব পৰা হ'লে অগ্ৰাধিকাৰ পাব।

৩.৫ পৰিষ্কাৰ পৰিছন্নভাবে পশুপালন কৰিব পৰা জ্ঞানৰ অধিকাৰী হ'ব লাগিব।

৩.৬ নিৰোগী আৰু ৰোগী পশুধনৰ মাজৰ পাৰ্থক্য জনা হ'ব লাগিব।

৩.৭ তাপ লহৰত পশুধন আক্ৰান্ত হোৱাৰ বিষয়ে জ্ঞান থাকিব লাগিব।

৩.৮ জীৱ-জন্তুক প্ৰাথমিক চিকিৎসা প্ৰদান কৰিব পৰাসকলক অগ্ৰাধিকাৰ দিয়া হ'ব।

৩.৯ মানুহক বুজাব পৰা আৰু সংযোগ ৰাখিব পৰা কৌশল জানিব লাগিব।

৩.১০ আৱশ্যকৰ সময়ত গাঁও পঞ্চায়তৰ ভিতৰুৱা অঞ্চলত সহায়তা আগবঢ়াব পৰাকৈ চলাফুৰা কৰিব পৰা হ'ব লাগিব।

৩.১১ তেখেত ৰাজ্যৰ ভিতৰত বা বাহিৰত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান নতুবা আন আন প্ৰতিষ্ঠানে প্ৰদান কৰিবলগীয়া প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ যোৱাত আগ্ৰহী হ'ব লাগিব।

৪. **নিৰ্বাচন কৰাৰ প্ৰক্ৰিয়া ঃ**

গাঁও সংগঠনে জীৱিকা নিৰ্বাহ উপ-সমিতিৰ সহায়ত গাঁওবাসীৰ মাজত পশু সখীৰ ধাৰণাটোৰ বিষয়ে প্ৰচাৰ কৰিব। পশু সখী চিনাক্ৰকৰণ প্ৰক্ৰিয়া গাঁও পৰ্য্যায়ত জীৱিকা নিৰ্বাহ উপ-সমিতিয়ে কৰিব আৰু খণ্ড প্ৰকল্প পৰিচালক, খণ্ড সমিতিয়ে দলটোৰ হৈ প্ৰক্ৰিয়া পৰিচালনাৰ সুবিধা প্ৰদান কৰাৰ দায়িত্বত থাকিব। পশু সখী চিনাক্তকৰণৰ বাবে গাঁও সংগঠনে এখনি সভাৰ আয়োজন কৰিব আৰু জীৱিকা নিৰ্বাহ উপ-সমিতি আৰু সম্পাদক-সভাপতিয়ে চিনাক্তকৰণ প্ৰক্ৰিয়াটো পৰিচালনা কৰিব। স্থানীয় পশু চিকিৎসা বিভাগৰ সহকাৰী শল্য চিকিৎসক-সম্প্ৰসাৰণ বিষয়া তথা তেখেতৰ প্ৰতিনিধিক সেই সভালৈ নিমন্ত্ৰণ কৰিব লাগিব। জীৱিকা নিৰ্বাহ উপ-সমিতিৰ নিৰ্বাচিত সদস্যগোটে খণ্ড প্ৰকল্প পৰিচালক, সংশ্লিষ্ট গাঁও সংগঠনৰ সম্পাদক-সভাপতি,পশু চিকিৎসা বিভাগৰ সহকাৰী শল্য চিকিৎসক-সম্প্ৰসাৰণ বিষয়া তথা তেখেতৰ প্ৰতিনিধিৰ সতে আলোচনা মৰ্মে লিখিত পৰীক্ষা বা মৌখিক সাক্ষাতৰ ভিত্তিত সেই অঞ্চলৰ পশু সখীগৰাকীক নিৰ্বাচিত কৰিব। বৰ্ত্তমানপ্ৰতি পঞ্চাশ গৰাকী মহিলা খেতিয়কৰ বিপৰীতে এগৰাকী পশু সখী নিৰ্বাচিত কৰা হ'ব। নিৰ্বাচন প্ৰক্ৰিয়া সমাপন হোৱাৰ পিছত গাঁও সংগঠন-মণ্ডল পৰ্য্যায়ৰ সংগঠনে নিৰ্বাচিত গৰাকীৰ সবিশেষ বৃত্তান্ত উন্নয়ন খণ্ড পৰ্য্যায়ত থকা ব্যৱস্থাপনা গোটলৈ লিপিৰদ্ধকৰণ তথা কম্পিউটাৰ পদ্ধতিত আপলোড কৰাৰ কাৰণে পঠাব।

৫. **এগৰাকী পশু সখীৰ দায়িত্ব আৰু দায়ৱদ্ধতাঃ**

এগৰাকী পশু সখী নিয়োগৰ উদ্দেশ্য হ'ল দুখীয়া-দৰিদ্ৰ পৰিয়ালবোৰক কাৰিকৰীভাবে নিৰ্দেশনা দিয়া আৰু জীৱ-জন্তু আৰু পশুধন পালকসকলৰ মাজত থকা সুৰুঙাৰ মাজত সমন্বয়ৰ সেঁতু গঢ়া।

১. ব্যক্তিগতভাবে প্ৰতিগৰাকী কৃষক-উৎপাদক-দলৰ সদস্যৰ তথ্যসমূহ সংগ্ৰহ কৰিব আৰু সেইসমূহ গৃহস্থী পৰ্য্যায়, নিকততম পশু চিকিৎসা সহায়তা কেন্দ্ৰ আৰু বৃত্তিধাৰীসকলৰ ওচৰত দাখিল কৰিব।
২. পশুধনৰ ওপৰত মাহটোত কৰিবলগীয়া কাৰ্য্যাৱলীৰ তালিকা সাজু কৰি ল'ব।
৩. পশুধন থকা গৃহস্থীসমূহক কাৰিকৰী সহায়তা আগবঢ়াব।
৪. পশুধনৰ খেতিয়কসকলৰ মাজত উন্নত ব্যৱস্থাবোৰৰ বিষয়ে তথ্য আৰু বতৰা প্ৰদান কৰিব।
৫. উন্নত ব্যৱস্থা, খাদ্য, চিকিৎসা আদি বিষয়বোৰ প্ৰদৰ্শন কৰি দেখুৱাব।
৬. দায়িত্বত থকা অঞ্চলৰ পশুধনক সময়মতে টীকাকৰণ কৰাব।
৭. সেই অঞ্চলত থকা জীৱ-জন্তু, পশুধনসমূহক পেলুমুক্ত কৰি ৰখা, ভিটামিন-মিনাৰেল আদি প্ৰদান কৰা কামত সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিব।
৮.পোৱালি জগাব লগা পশুধন চিনাক্ত কৰি উপযুক্তভাবে জগাৰ ব্যৱস্থা কৰিব।
৯. কৃত্ৰিম বীৰ্য্য ব্যৱহাৰ সম্পৰ্কীয় অভ্যাস কৰাব।
১০. পিয়ন এৰোৱাৰ ব্যৱস্থা কৰাব।
১১. সঁচৰ বাবে ব্যৱহাৰ কৰিব লগা মটা পশুধনক সলনা-সলনিকৈ মিলন কৰোৱাৰ বিষয়ে গাঁৱৰ কৃষকৰ মাজত সজাগতা বৃদ্ধি কৰাব।
১২. উপযুক্ত সময়ত পশুধনক খাহী কৰাব আৰু পৰৱৰ্ত্তী সময়ত যত্ন লোৱাৰ ব্যৱস্থা কৰাব।
১৩. উৎপাদকসকলক খাদ্য প্ৰদান সম্পৰ্কীয় নিৰ্দেশনা দিব।
১৪. উপলব্ধ সমলৰ সদ্ব্যৱহাৰ কৰি পুষ্টি যোগানৰ ব্যৱস্থা কৰিবলৈ গৃহস্থীসমূহক নিৰ্দেশনা দিব।
১৫. গাঁৱত থকা ঘাঁহনিখিনি উন্নত কৰাৰ বাবে কৃষকসকলক উদগণি দিব।
১৬. পশুধন আৱদ্ধ কৰি ৰখা আৰু সলনা-সলনিকৈ মুকলিকৈ ৰাখি খাদ্য প্ৰদান কৰা সম্পৰ্কীয় শিক্ষা কৃষকক প্ৰদান কৰিব।
১৭. পশুধন একত্ৰিত কৰি বিক্ৰি কৰাৰ উপযুক্ত সময় চিনাক্ত কৰিব।

১৮. বেচিব পৰা পশুধন নিৰীক্ষণ কৰা আৰু বজাৰৰ স'তে সংযোগ সাধন কৰাই দিয়া।
১৯. গাইগুটীয়াকৈ পশুধনৰ বীমাৰ ব্যৱস্থা নিশ্চিত কৰাই দিয়া।
২০. পশুপালকসকলৰ মাজত মাহেকীয়া সভা অনুষ্ঠিত হোৱাতো নিশ্চিত কৰা।
২১. নিৰ্দ্ধাৰিত দিনলিপিত প্ৰতিদিনৰ কাৰ্য্যাৱলী লিপিৱদ্ধ কৰিব লাগিব। বিচাৰিলেই সেয়া গাঁও সংগঠনক প্ৰদান কৰিব ( উৎপাদক গোটক পিছত দিব)।
২২. পশুপালক গোট, গাঁও সংগঠন, মণ্ডল পৰ্য্যায়ৰ সংগঠন, উন্নয়ন খণ্ডৰ ব্যৱস্থাপনা গোটে প্ৰদান কৰা দায়িত্ব পালন কৰিব।
২৩. জৰুৰী হ'লে ওচৰৰ পশু চিকিৎসা সেৱা কেন্দ্ৰক অৱগত কৰাব।

৭. **কাম চলাৰ লগা অঞ্চল ঃ**

প্ৰাথমিকভাবে এগৰাকী পশু সখীয়ে নিজৰ বাবে নিৰ্দ্ধাৰিত এলেকাত সুকলমে নিজৰ কাম-কাজ চলাব আৰু বহনক্ষমতা বজায় ৰাখিব পৰাকৈ তৃণভোজীকে ধৰি ৫০০ সৰু জীৱ-জন্তু আৰু ১০০০ হাঁহ-কুকুৰা চোৱাচিতা কৰিব লাগিব।

৮. **সক্ষমতা বৃদ্ধি আৰু পশু সখীক কৰিব লগা আলোকপাত ঃ**

উন্নতভাবে পশুপালন কৰা, ৰখা ঠাই সঠিকভাবে সাজু কৰা, পুষ্টি যোগান, পোৱালি জগোৱা, ৰোগ নিয়ন্ত্ৰণ, টীকাকৰণ আৰু বজাৰ সম্পৰ্কীয় কাৰ্য্যাৱলী আদিৰ ওপৰত পশু সখীগৰাকীয়ে কৃষকসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। আৱশ্যক অনুসৰি তেখেতে অংশীদাৰসকলৰ বাবে সংশ্লিষ্ট বিভাগসমূহ আৰু সমল ব্যক্তিৰ সহযোগত প্ৰশিক্ষণ আয়োজন কৰিব। সেইসকলে পশুপালন - প্ৰাথমিক চিকিৎসা প্ৰদান বিষয়ত গৃহস্থীসমূহক পোনপটীয়াকৈ সহায় কৰি বিশেষজ্ঞসকলৰ আৰু উৎপাদকৰ মাজত সমন্বয়ৰ সেঁতু গঢ়িব। পশু সখীয়ে বিভিন্ন পৰ্য্যায়ত সমল ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ কাৰ্য্যসূচী ৰূপায়িত কৰিব।

৯. **নিৰীক্ষণ আৰু মূল্যায়ন ঃ**

১. পশুধন উৎপাদক গোটৰ সদস্য বা পশুধন সহায়তাৰীক প্ৰদান কৰিব লগা সহায়তাৰ ভিত্তিত পশু সখীয়ে কৰা কামবোৰৰ মূল্যায়ন কৰা হ'ব।
২. প্ৰতিদিনে কৰা কৰ্মৰ সবিশেষ নিৰ্দ্ধাৰিত দিনলিপিৰ পাতত লিপিৱদ্ধ কৰিব লাগিব আৰু সেয়া যিজন বা যি গৰাকী পশুধন উৎপাদক গোটৰ সদস্য বা সদস্যাৰ ঘৰত পশুধনক সহায়তা বা চিকিৎসা সেৱা আগবঢ়াইছিল সেই গৰাকীৰ পৰা স্বাক্ষৰ কৰাব লাগিব। মাননী আদায় দিয়াৰ বাবে কামৰ সংকলিত তথ্য গাঁও সংগঠনক জমা দিব লাগিব।
৩. পশু সখীয়ে কৰা কামবোৰ চোৱাচিতা কৰা আৰু মূল্যায়নৰ বাবে গাঁও সংগঠন দায়ৱদ্ধ থাকিব। সময়ে সময়ে আৱশ্যকতা অনুসৰি কাৰ্য্যাৱলীসমূহ গাঁও সংগঠনক জনাব (পশুধন উৎপাদক গোটৰ সদস্যক পিছত অৱগত কৰিব)
৪. প্ৰতিমাহত সেৱা আগবঢ়োৱাৰ কামত অতি কমেও বিশ দিন ভ্ৰমণ কৰিব লাগিব আৰু পঞ্চাশ ঘৰ পৰিয়ালৰ সতে সেৱা স্থাপিত হ'ব লাগিব।